# REGIONAL NEWS UNIT

AKASHVANI :: GUWAHATI

0000000000

**Date : 08-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::::::::::::::::::::::::::***

পেহেলগাম আক্ৰমণৰ প্ৰত্যুত্তৰ হিচাপে কেৱল পাকিস্তানৰ সন্ত্ৰাসবাদী ঘাটিতহে আক্ৰমণ চলাই ভাৰতে সিন্দুৰ অভিযান আৰম্ভ কৰিছিল যদিও পাকিস্তানৰ আক্ৰোশমূলক প্ৰত্যাক্ৰমণৰ উচিত প্ৰত্যুত্তৰ হিচাপে এই অভিযান অব্যাহত ৰাখিব। প্ৰতিৰক্ষা আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে আজি আয়োজন কৰা এখন সংবাদমেলত বিদেশ সচিব বিক্ৰম মিশ্ৰীয়ে এই বিষয়ে প্ৰকাশ কৰে। বিদেশ সচিবগৰাকীয়ে কয় যে ভাৰতে সংযতভাৱে চলোৱা এই আক্ৰমণত কোনো অসামৰিক লোক নাইবা সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা নাছিল যদিও পাকিস্তানে জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত ১৬গৰাকী নিৰীহ ভাৰতীয়ৰ ওপৰত আক্ৰমণ চলাই নিহত কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে পাকিস্তানৰ লাহোৰত থকা প্ৰতিৰক্ষা প্ৰণালীৰ ওপৰত আক্ৰমণ কৰি ধবংস কৰিছে বুলি বিদেশ সচিবগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে যুদ্ধৰ উত্তেজনা সৃষ্টিৰ পৰিৱৰ্তে কেৱল সন্ত্ৰাসবাদীৰ আক্ৰমণৰ কঠোৰ প্ৰত্যুত্তৰ দিছিল। কোনো সন্ত্ৰাসবাদী দেশখনত নাই বুলি পাকিস্তানে দীৰ্ঘদিন ধৰি কৰি অহা দাবী নস্যাৎ কৰি সীমান্তত ধাৰাবাহিকভাৱে যুদ্ধবিৰতি উলংঘা কৰি আহিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে ভাৰতে ধৈৰ্য আৰু সহনশীলতাৰে ৬৫ বছৰ ধৰি সিন্ধু জল চুক্তি মানি আহিছিল যদিও পাকিস্তানৰ বৰ্বৰ কাৰ্যকলাপৰ পৰিপ্ৰেক্ষিতত এই চুক্তি ভংগ কৰিবলৈ বাধ্য হৈছে। সমগ্ৰ বিশ্বৰ সকলো ধৰ্মৰ লোকে এই আক্ৰমণক একেমুখে গৰিহণা দিছে বুলিও তেওঁ উল্লেখ কৰে। এই সংবাদ মেলত কৰ্ণেল ছ'ফিয়া কুৰেছী আৰু উইং কামাণ্ডাৰ ব্যোমিকা সিঙে ভাৰতৰ সুৰক্ষা বাহিনীয়ে পাকিস্তানক দিয়া যোগ্য প্ৰত্যুত্তৰ সম্পৰ্কে অৱগত কৰে।

০০০০

সন্ত্ৰাসবাদৰ বিৰুদ্ধে উচিত প্ৰত্যুত্তৰ দিয়াৰ বাবে ভাৰতীয় সশস্ত্ৰ বাহিনীৰ বীৰত্বক সকলো ৰাজনৈতিক দলৰ নেতাই প্ৰশংসা কৰিছে। **অপাৰেচন সিন্দূৰ** সন্দৰ্ভত আজি নতুন দিল্লীৰ সংসদ ভৱনত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত ৰাজনৈতিক দলৰ নেতাসকলে এই অভিযানৰ প্ৰতি একমুখে সমৰ্থন প্ৰকাশ কৰে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰা এই বৈঠকত বহুকেইটা দলৰ নেতাই অংশগ্ৰহণ কৰে। বৈঠকত শ্ৰীসিঙে ভাৰতে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু আৰু কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত চলোৱা আক্ৰমণৰ সবিশেষ প্ৰকাশ কৰে।

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, লোকসভাৰ বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে চৰকাৰৰ প্ৰতি তেওঁলোকৰ পূৰ্ণ সমৰ্থন আগবঢ়ায়। এ আই এম আই এমৰ নেতা আছাদ উদ্দিন ওৱেছিয়েও এই অভিযানৰ বাবে সশস্ত্ৰ বাহিনী আৰু চৰকাৰৰ শলাগ লয়।

ইপিনে **অপাৰেচন সিন্দূৰৰ** পাছত সামাজিক মাধ্যমত প্ৰচাৰ হোৱা কেতবোৰ ভুৱা বাতৰিক লৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এনে খবৰক বিশ্বাস নকৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

০০০০

দিল্লী বিমানবন্দৰৰ পৰা যাত্ৰা কৰিবলগীয়া আৰু বিমানবন্দৰত অৱতৰণ কৰিবলগীয়া প্ৰায় ৯০ খন বিমানৰ সেৱা আজি পুৱা ৮ বজাৰ পৰা দিনৰ ২ বজালৈ বাতিল কৰা হয়। ইয়াৰ ভিতৰত ১১ খন আন্তঃৰাষ্ট্ৰীয় আৰু ৭৯ খন ঘৰুৱা বিমান আছে। ইয়াৰ পূৰ্বে **অপাৰেচন সিন্দূৰৰ** পৰিপ্ৰেক্ষিতত জম্মু, শ্ৰীনগৰ, লেহ, জোধপুৰ, অমৃতসৰ, ভূজ, জামনগৰ, চণ্ডীগড় আৰু ৰাজকোট বিমানবন্দৰত অহা ১০ মে' লৈকে সকলো ঘৰুৱা বিমান যাত্ৰা বাতিল কৰা হৈছিল।

০০০০

পঞ্চায়ত নিৰ্বাচনৰ অহা ১১ মে'ত হ'বলগীয়া ভোটগণনাৰ বাবে বিভিন্ন জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। ডিব্ৰুগড় জিলাত ভোটগণনা নিয়াৰিকৈ সম্পন্ন কৰিবলৈ এই প্ৰক্ৰিয়াত নিয়োজিত মাইক্ৰ' অবজাৰভাৰ, কাউণ্টিং ছুপাৰভাইজাৰ আৰু সহযোগীসকলৰ প্ৰশিক্ষণ আজি অনুষ্ঠিত হয়। ডিব্ৰুগড় জিলা পুঁথিভৰাল প্ৰেক্ষাগৃহ আৰু মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ত আজি এই প্ৰশিক্ষণ অনুষ্ঠিত হয়। এই কাৰ্যসূচীত কেইবাগৰাকীও বিশেষজ্ঞ প্ৰশিক্ষকে ভোটগণনা প্ৰক্ৰিয়া সন্দৰ্ভত বিষয়াসকলক প্ৰশিক্ষণ দিয়ে।

০০০০

অসম শক্তি বিতৰণ কোম্পানী লিমিটেড-এ পি দি চি এলৰ ক্ষেত্ৰ কৰ্মীসকলৰ কল্যান আৰু সুৰক্ষা সুনিশ্চিত কৰিবলৈ এ পি দি চি এলৰ অধ্যক্ষ চৈদায়িন আববাচিয়ে চেফলাইন পদক্ষেপৰ আজি শুভাৰম্ভ কৰে। ইণ্টেলি স্মাৰ্ট ইনফ্ৰাষ্ট্ৰাকচাৰৰ সহযোগত আৰম্ভ কৰা চেফলাইন অভিযানৰ আজিৰ অনুষ্ঠানত ইণ্টেলি স্মাৰ্টৰ পৰিচালন সঞ্চালক আৰু মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীঅনিল ৰাৱালো উপস্থিত থাকে। চেফলাইনৰ অংশ হিচাপে লাইনমেনসকলক অনাগত দিনবোৰত সুৰক্ষামূলক প্ৰশিক্ষণ দিয়া হ'ব। উদ্বোধনী কাৰ্যসূচীৰ সময়ত এ পি দি চি এলৰ অধ্যক্ষ শ্ৰীআববাচীয়ে লাইনমেনসকলৰ সুৰক্ষা আৰু দৈনন্দিন কাৰ্যকলাপৰ বাবে নিয়মীয়া প্ৰশিক্ষণ, সজাগতা আদি বৃদ্ধিত গুৰুত্ব আৰোপ কৰে। অনুষ্ঠানত ভাষণ দি ইণ্টেলি স্মাৰ্টৰ পৰিচালন সঞ্চালক তথা মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীঅনিল ৰাৱালে কয় যে আমি প্ৰতিটো কামতে সুৰক্ষা সুনিশ্চিত কৰাত বিশ্বাস কৰো আৰু লাইনমেনসকলৰ সুৰক্ষাক অগ্ৰাধিকাৰ দি আহিছে। আজি আৰম্ভ হোৱা এই প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে জাগীৰোড, ঝাৰগাওঁ, চৰাইবাহী, লাহৰিঘাট, মৰিগাওঁ, মাজবাট আৰু কলাইগাওঁৰ ৭ টা মহকুমাৰ প্ৰায় ১৫০ জন লাইনমেনে অংশগ্ৰহণ কৰে। চলিত বৰ্ষৰ সামৰণি লৈকে প্ৰতি মাহৰ ৬ তাৰিখে পৰ্যায়ক্ৰমে এই প্ৰশিক্ষণ অনুষ্ঠিত কৰা হ'ব বুলিও এ পি দি চি এলৰ কৰ্তৃপক্ষই জানিবলৈ দিয়ে।

০০০০

সমাপ্ত